ii) বহুতো জলসিঞ্চন আৰু বিদ্যুৎ প্ৰকল্প সমূহত সংযোজিত মূল্য সঠিকভাৱে নিৰ্ণয় কৰাটো কঠিন।

iii) বিভিন্ন চৰকাৰী সেৱা যেনে শিক্ষা, স্বাস্থ্য, পুলিচ, প্ৰতিৰক্ষা আৰু প্ৰশাসনিক সেৱাত সংযোজিত মূল্য জোখমাখ কৰাতো সহজ নহয়।

**4. জাতীয় আয় জোখমাখৰ নিয়মৰ সমস্যা বা অসুবিধাসমূহ Problems of difficulties in estamating National Income ঃ**

জাতীয় আয় নিৰ্ণয় কৰোতে সাধাৰণতে আমি দুটা সমস্যাৰ সন্মুখিন হওঁ। যেনে ঃ

a) ধাৰণা সম্বন্ধীয় সমস্যা

b) অন্যান্য।

**ধাৰণা সম্বন্ধীয় সমস্যা (Conceptual Problems) ঃ**

i) **উৎপাদনক্ষম কাম-কাজ আৰু অনাউৎপাদন কাম-কাজ ঃ** সেইবিলাক কাম-কাজক উৎপাদনক্ষম কাম-কাজ বুলি সংজ্ঞা দিবপাৰি যিবিলাক বজাৰত পোৱাযায় আৰু টকাৰ যোগেদি লেনদেন কৰিব পাৰি। কিন্তু অনাউৎপাদনক্ষম কাম-কাজবোৰ টকাৰ দ্বাৰা লেনদেন কৰিব নোৱাৰি। উদাহৰণস্বৰূপে এজন মানুহে কৰা এনেকুৱা বহুতো সেৱা আছে যিবোৰ মানুহজনে নিজৰ বাবে বা পৰিয়ালৰ বাবে কৰে। যেনে - আহাৰ তৈয়াৰ কৰা, কাপোৰ ধোৱা, বাগিছা পতা, অসুখীয়া মাতৃক নাৰ্চৰ দৰে শুশ্ৰষা কৰা, শিক্ষকে নিজৰ ল'ৰা-ছোৱালীক শিকোৱা ইত্যাদি কামবোৰ অনাউৎপাদনক্ষম কাম-কাজ।

সেয়ে উৎপাদনক্ষম আৰু অনাউৎপাদনক্ষম সেৱাৰ মাজত এডাল ৰেখা টনাৰ আৱশ্যক, যাতে উৎপাদনক্ষম আৰু অনাউৎপাদনক্ষম কাম-কাজবোৰ সহজে ধৰিব পাৰি।

ii) **বৰ্জ্জিত বজাৰ লেনদেন (Excluded Matket Transaction) ঃ** মুঠ জাতীয় উৎপাদনত সকলো ধৰণৰ বজাৰ লেনদেন অৰ্ন্তভূক্ত নহয়। নিৰ্দিষ্ট শ্ৰেণীৰ বজাৰ লেনদেন জাতীয় আয়ৰ পৰা বৰ্জ্জিত হৈ ৰয়। সেইবোৰ হ'ল বদলিকৃত বেতন, মূলধন লাভ বা লোকচান আৰু অবৈধ কাম-কাজ।

a) **বদলিকীত বেতন ঃ** বদলিকৃত বেতনবোৰ এনেধৰণৰ বেতন যিবোৰ প্ৰচলিত উৎপাদনক্ষম কাম-কাজৰ হকে দিয়া নহয় কিন্তু যিবোৰ উপসম (relief) লক্ষৰে বা আয় বিতৰণক প্ৰভাৱিত কৰিবৰ বাবে বা আগতেই উৎপাদন কৰা বস্তুৰ বদলীক প্ৰভাৱিত কৰিবৰ বাবে দিয়া হয়।

বিভিন্ন শ্ৰেণীৰ আয় যেনে - পেনচন, নিবনুৱা ক্ষতিপুৰণ, অসুখ বা দুৰ্ঘটনা লাভ, প্ৰত্যক্ষ উপসম বেতন, কোনো এখন ফাৰ্মে উৎপাদিত দ্ৰব্যৰ প্ৰচাৰৰ বাবে ইয়াৰ কৰ্মচাৰিক দিয়া পুৰস্কাৰ আদি বেতন নহয় যি উৎপাদনক্ষম কাম-কাজক প্ৰতিনিধিত্ব কৰে, আৰু সেয়ে সেইবোৰ বেতন জাতীয় দ্ৰব্যত অৰ্ন্তভুক্ত কৰা নহয়।

b) **মূলধনী লাভ আৰু লোকচান (Capital gain and loss) ঃ** অনিয়ন্ত্ৰিত আৰু অনিশ্চিত কাৰণত বৰ্তমানস্থিত মূলধনী সম্পদৰ মূল্যৰ অনাকংক্ষিত পৰিৱৰ্তনক জাতীয় আয়ত অৰ্ন্তভুক্ত কৰা নহয় কাৰণ এনে পৰিৱৰ্তনৰ বাবে হোৱা লাভ বা লোকচানবোৰ হ'ল আকস্মিক (accidents) ঘটনা আৰু

চলিত উৎপাদনক্ষম কাম-কাজৰ পৰিবৰ্তনৰ অনুৰূপ নহয়।

c) **অবৈধ কাম-কাজ (Illegal activities) :** জাতীয় দ্ৰব্যৰ গণনাত অবৈধ কাম-কাজৰ পৰা অহা আয়ৰ অৰ্ন্তভুক্ত কৰা নহয় যদিও বহুতো মানুহৰ বাবে এই কাম-কাজবোৰ উৎপাদনক্ষম আৰু তেওঁলোকক সন্তোষ্টি প্ৰদান কৰে। কিন্তু যিহেতু এই কাম-কাজবোৰ এটা জাতিৰ সামাজিক মূল্যবোধত দ্বন্দ্বৰ সৃষ্টি কৰে, সেয়ে এইবোৰ জাতীয় দ্ৰব্যৰ অংশ হ'ব নোৱাৰে।

iii) **দ্ৰব্য আৰু সেৱাৰ আৰোপিত মূল্য (Inputed values of goods and services) :** কিছুমান দ্ৰব্য আৰু সেৱাই প্ৰত্যক্ষ ভাবে বজাৰত ভুমুকি নামাৰে গতিকে সেইবোৰ বস্তুৰে বজাৰ মূল্য দমন নকৰে। এনে ক্ষেত্ৰত তেনে দ্ৰব্যৰ আৰোপিত মূল্যকেই জাতীয় আয়ত গণনা কৰা হয়। কেতিয়াবা আকৌ উৎপাদনকাৰীয়ে উৎপাদনৰ এটা অংশ স্ব-উপভোগৰ বাবে ৰাখি থয়। এনে দ্ৰব্য সমূহ কেতিয়াও বজাৰলৈ অনা নহয় আৰু সেয়ে হয়তো ৰাষ্ট্ৰীয় উৎপাদনৰ পৰা বাদ পৰে। এনে দ্ৰব্য বা সামগ্ৰী সমূহৰো এটা মূল্য আৰোপন কৰি মুঠ জাতীয় আয়ত গণনা কৰা হয়। আকৌ কিছুমান কৰ্মচাৰীয়ে তেওঁলোকৰ বেতনৰ এটা অংশ নগদ ধনৰ সলনি অন্য কোনো সা-সুবিধাৰে গ্ৰহণ কৰে। এনে ক্ষেত্ৰত অন্যান্য কৰ্মচাৰীৰ লগত সামঞ্জস্য আনিবলৈ তেওঁলোকৰ বেতনৰ লগতে সা-সুবিধা বোৰৰ এক আৰোপিত মূল্য ধৰি জাতীয় আয়ত অৰ্ন্তভুক্ত কৰা হয়। সেইদৰে বাণিজ্যিক বেংক, বীমা প্ৰতিষ্ঠান আৰু অন্যান্য বিত্তীয় প্ৰতিষ্ঠান আদিৰ সেৱা সমূহৰো মূল্য আৰোপ কৰি এই আৰোপিত মূল্যক ঘৰুৱা দ্ৰব্যত অৰ্ন্তভুক্ত কৰা হয়।

iv) **একাধিক গণনা (Multiple counting) :** যদি সকলো দ্ৰব্য আৰু সেৱাৰ মূল্য সমূহ একেলগে কৰা হয় তেতিয়া ই জাতীয় আয়ক বহু বেছিকৈ প্ৰতিফলিত কৰিব কিয়নো কিছুমান দ্ৰব্য এবাৰতকৈ বেছি গণনা কৰা হয়। উদাহৰণস্বৰূপে যদি পাওৰুটি গণনা কৰা হয় তেতিয়া তাৰ লগত ঘেহুঁৰ মূল্যও জড়িত হৈ থাকে য'ৰ পৰা আটা তৈয়াৰ হয়। এতিয়া যদি আমি সকলো দ্ৰব্যৰে মূল্য সংযোগ কৰো তেন্তে ঘেহুঁৰ মূল্য এবাৰতকৈ বেছিকৈ সংযোজিত হ'ব। গতিকে একাধিক গণনাৰ দ্ৰব্য সমূহ যদি আমি বাদ দিব নোৱাৰো তেন্তে ই জাতীয় আয়ক বহু বেছিকৈ প্ৰতিফলিত কৰিব।

ই একাধিক গণনাক আঁতৰ কৰিবলৈ দুটা প্ৰণালী ব্যৱহাৰ কৰা হয় -

1) চূড়ান্ত দ্ৰব্যৰ অৰ্ন্তভূক্তি (Inclusion of final product)
2) মূল্য সংযোজন (The value added)

**চূড়ান্ত দ্ৰব্যৰ অৰ্ন্তভূক্তি (Inclusion of final product) :** এই পদ্ধতিত সেইবিলাক দ্ৰব্যৰ গণনাহে জড়িত হৈ থাকে যিবিলাক দ্ৰব্য অন্য দ্ৰব্য উৎপাদনত ব্যৱহাৰ কৰাৰ প্ৰয়োজন নহয় অৰ্থাৎ সেইবোৰ দ্ৰব্যক অৰ্ন্তভুক্ত কৰা নহয় যিবোৰ উৎপাদন পদ্ধতিত মধ্যবৰ্ত্তী (intermediate) দ্ৰব্য। কেৱল চূড়ান্ত দ্ৰব্যকহে অৰ্ন্তভূক্ত কৰা হয়।

**মূল্য সংযোজন (The value added) :** একাধিক গণনা দুৰ কৰি শুদ্ধ ৰাষ্ট্ৰীয় উৎপাদন নিৰূপনৰ আনটো পদ্ধতি হৈছে মূল্য সংযোজন পদ্ধতি। এই পদ্ধতিত অৰ্থনীতিৰ প্ৰতিটো শাখাত উৎপাদন প্ৰক্ৰিয়াৰ সময়ত অন্য শাখাৰ পৰা উৎপাদনৰ উপাদান সমূহ আমদানি কৰোতে যি মূল্যবৃদ্ধি হয় তাক গণনা কৰি উলিওৱা হয়। যেতিয়া উৎপাদনৰ প্ৰতিটো স্তৰৰে সংযোজিত মূল্যৰ নিমিত্তে কৰা হয় তেতিয়া উৎপাদনৰ

কোনো স্তৰৰে একাধিক গণনাৰ সম্ভাৱনা নাথাকে। প্ৰতিটো স্তৰৰ পৰা পোৱা সংযোজিত মূল্যৰ সংখ্যাক যোগকৰি আমি গোটেই দেশৰ মুঠ উৎপাদন জানিব পাৰিম। এই সংযোজিত মূল্য পদ্ধতি সম্পৰ্কে ইতিমধ্যেই আলোচনা কৰা হৈছে।

**v) সকলো মজুত দ্ৰব্যৰ তালিকা বা দ্ৰব্যসূচী (Inventories) :** মজুত ৰখা বস্তুৰ তালিকাৰ পৰিৱৰ্ত্তনকো মুঠ জাতীয় দ্ৰব্যৰ গণনাত অৰ্ন্তভূক্ত কৰিব লাগে। যদি এটা প্লাষ্টিক ফেক্টৰীয়ে এটা বছৰত ইয়াৰ চুড়ান্ত দ্ৰব্যৰ তালিকা বৃদ্ধি কৰে, তেন্তে ই স্পষ্ট ভাবেই উৎপাদন বৃদ্ধিৰ প্ৰতিনিধিত্ব কৰে আৰু সেয়ে মুঠ জাতীয় আয়ত অৰ্ন্তভূক্ত কৰিব লাগে। কিন্তু অসুবিধা এইখিনিতেই যে সকলো ফাৰ্মে দ্ৰব্য তালিকা পৰিৱৰ্ত্তনৰ নথিপত্ৰ সংৰক্ষণ নকৰে।

**b) অন্যান্য (Others) :** ওপৰত উল্লেখ কৰাৰ দৰে GNP জোখমাখৰ ধাৰণা সম্বন্ধীয় সমস্যাৰ উপৰিও অন্য কিছুমান সমস্যা আছে যিবোৰ তলত উল্লেখ কৰা হ'ল।

**i) নিৰক্ষৰতা (illiterary) :** ব্যাপক নিৰক্ষৰতাৰ কাৰণে উৎপাদনকাৰীয়ে আয় উৎপাদনৰ হিচাপ নিকাচৰ তদাৰক নকৰে। ফলস্বৰূপে জাতীয় উৎপাদন বা আয়ৰ নিৰ্ণয় বাস্তবিকতাতকৈ কম হয়।

**ii) মুদ্ৰা বিহীন লেনদেন :** কম উন্নত দেশবিলাকত যথেষ্ট পৰিমানৰ নন-মনেটাইজড় চেক্টৰ থাকে। তেনে দেশৰ গাৱলীয়া অঞ্চলত দ্ৰব্যৰ বিনিময়ত আন দ্ৰব্য ব্যৱহাৰ কৰা হয় আৰু উৎপাদনৰ এটা ডাঙৰ অংশ নিজ উপভোগৰ বাবে ৰাখিথোৱা হয়। সেয়ে সমুদায় উৎপাদন মুঠ জাতীয় দ্ৰব্যত অৰ্ন্তভূক্ত নহয়।

**iii) বজাৰ বিহীন লেনদেন :** কম উন্নত দেশবোৰৰ গাঁও অঞ্চলত বিভিন্ন ধৰণৰ দ্ৰব্য উৎপাদন কৰা হয় কিন্তু এইবোৰ বজাৰত বিক্ৰি কৰা নহয়। সেইবোৰ উৎপাদন কৰাৰ পৰিয়ালৰ সদস্যৰ উপভোগৰ বাবে ৰাখিথোৱা হয়। তাৰোপৰি মানুহে সেই দ্ৰব্যৰ দ্বাৰা মুঠ জাতীয় দ্ৰব্যৰ বৰ্হিভূত হৈ ৰয়।

**iv) পেচা বা বৃত্তি সংক্ৰান্তীয় বিশেষীকৰণৰ অভাৱ (Lack of Occupational Specialisation) :** কিছুমান দেশত পেচা সংক্ৰান্তীয় বিশেষীকৰণ অভাৱ দেখা যায়। ধৰাহওঁক এজন ব্যক্তিয়ে ফেক্টৰিত কাম কৰি মজুৰি লাভ কৰে। আকৌ তেওঁ আজৰি সময়ত কোনো বস্তু বেচি অতিৰিক্ত আয় লাভ কৰে। তেওঁ গাৱত থকা মাটিৰ পৰাও কিছু আয় সংগ্ৰহ কৰে। কিন্তু তেওঁ এই আয়ৰ উৎস, প্ৰকাশ নকৰিবও পাৰে। ফলস্বৰূপে জাতীয় দ্ৰব্য নিৰ্ণয়ত আন্দাৰ অবমূল্যায়ন হয়।

**v) নিৰ্ভৰযোগ্য পৰিসংখ্যাৰ অভাৱ (Lack of reliable statistics) :** বিভিন্ন অৰ্থনৈতিক কাম-কাজত নিৰ্ভৰযোগ্য পৰিসংখ্যাৰ প্ৰয্যাপ্ততাৰ অভাৱেই হ'ল GNP আৰু অন্য জাতীয় আয়ৰ সৰ্বমুঠ জোখমাখৰ আতাইতকৈ গুৰুত্বপূৰ্ণ সমস্যা।

**vi) ক্ষয়ক্ষতি (Depreciation) :** আমি জানো যে উৎপাদন পদ্ধতিৰ সময়ত বিভিন্ন মূলধনী সামগ্ৰীৰ ক্ষয় ক্ষতিয়ে দেখা দিয়ে। একেদৰে কিছুমান পূৰণা উদ্যোগিক সা-সৰঞ্জাম সমূহৰ দক্ষতা হ্ৰাস পায় বা ব্যৱহাৰৰ অনুপযোগী হৈ পৰে। উৎপাদন পদ্ধতিৰ সময়ত দেখা দিয়া এই ক্ষয় ক্ষতি সমূহৰ সঠিক মূল্য নিৰ্ণয় কৰাটো যথেষ্ট কঠিন।